**উত্তৰ-পূব ভাৰতৰ জনগোষ্ঠীসমূহৰ চমু পৰিচয় (Short Identity of Ethnic Groups of N.E. India) ঃ**

**মিজো বা লুচাই (Mizo or Lushai) ঃ**

উত্তৰ-পূব ভাৰতৰ অঙ্গৰাজ্য মিজোৰামেই হ'ল মিজোসকলৰ মূল বাসস্থান। মিজোৰামৰ বাহিৰেও উত্তৰ-পূব ভাৰতৰ অন্য ৰাজ্যতো মিজো জনগোষ্ঠী পোৱা যায়। মিজোসকল আগতে লুচাই (Lushai) নামেৰেহে জনাজাত আছিল। মিজোসকলে পাহাৰীয়া ঠাইত বা ওখ ঠাইত গাঁও পাতি বাস কৰে। এওঁলোকৰ ঘৰবোৰ সৰু সৰু। বাঁহ-খেৰ, টকৌপাত, জেতুপাত আদিৰে তেওঁলোকে ঘৰ সাজে। আজিকালি বাঁহৰ উপৰি কাঠো ব্যৱহাৰ কৰে। এওঁলোকে সহজ-সৰল প্ৰকৃতিৰ জীৱন-নিৰ্বাহ কৰে। এওঁলোকৰ মাজত উচ্চ-নীচ সংস্কৰণ কম। জনগোষ্ঠীটোৰ সকলোৱেই সমান বুলি গণ্য কৰে। সামাজিক আদান-প্ৰদান, বিয়া-বাৰু, ভক্ষ্যা-ভক্ষ্য আদিৰ ক্ষেত্ৰত জনগোষ্ঠীটোৰ ভিতৰত বাধা নিষেধ নাই। মিজোসকল মূলতঃ কৃষিজীৱী। এওঁলোকে পৰম্পৰাগতভাৱে ঝূম পদ্ধতিৰ খেতি কৰিছিল। বৰ্তমান স্থায়ী কৃষি-কৌশল উদ্ভাৱন, ঝুম খেতিৰ ওপৰত বাধানিষেধ আদিৰ বাবে ঝুমখেতিৰ প্ৰসাৰতা কমিছে। জনসংখ্যা বৃদ্ধিৰ ফলতো কৃষিভূমি সীমাবদ্ধ হৈ পৰিছে। ফলত মিজোসকল আৰ্থিক দুৰৱস্থাৰ সন্মুখীন হ'ব লগা হৈছে।

মিজো সমাজত বিবাহৰ বাবে প্ৰথমে কন্যা পক্ষৰ পৰা পতি-পক্ষক আহ্বান জনোৱা হয়। দৰাপক্ষৰ আৰ্থিক অৱস্থা অনুসৰি দৰাৰ অভিভাৱকে কন্যাপক্ষক বিবাহ কাৰ্যৰ বাবে এটা বৈবাহিক মূল্য (Marriage Price) দিব লাগে। বৈবাহিক মূল্য কন্যাৰ পিতৃ-মাতৃ আৰু আত্মীয়সকলে ভগাই লয়। এই মূল্য কন্যাৰ ভৱিষ্যত নিৰাপত্তা

(Security) প্ৰদান কৰাৰ উপৰি পৰিয়াল আৰু আত্মীয়সকলৰ মাজৰ বান্ধোন সু-দৃঢ় কৰে। যদি কেতিয়াবা তিৰোতা পৰিত্যক্ত, বৈধব্য বা বিবাহ বিচ্ছেদ হয়, তেন্তে তেনে তিৰোতাক বৈবাহিক মূল্য দি সহায় কৰা হয়। মিজোসকলৰ মাজত বিবাহ বিচ্ছেদ সহজ। স্বামীয়ে পত্নীক ত্যাগ কৰাৰ কথা ঘোষণা কৰিলেই বিবাহ-বিচ্ছেদ হয়। বিবাহ-বিচ্ছেদৰ সময়ত যদি বিবাহৰ পূৰ্বে নিৰ্ধাৰণ কৰা কন্যা মূল্য (Bride price) পতিপক্ষই অনাদায় হৈ থাকে তেনে এই মূল্য বিবাহ-বিচ্ছেদৰ লগে লগে দিব লগা হয়। যদি বিবাহ বিচ্ছেদৰ পত্নীপক্ষৰ সিদ্ধান্তক্ৰমে হয় তেন্তে পত্নীপক্ষই ইতিমধ্যেই গ্ৰহণ কৰা সকলো মূল্য পতি পক্ষক ঘূৰাই দিব লাগে।

মিজো সমাজ পিতৃ-প্ৰধান। পৈতৃক সম্পত্তিৰ উত্তৰাধিকাৰী সামাজিক নিয়ম অনুসৰি কনিষ্ঠ পুত্ৰই লাভ কৰে। পিতৃয়ে যদি একাধিক পত্নী গ্ৰহণ কৰে (বহু পত্নী বিবাহ) তেন্তে প্ৰথম পত্নীৰ পুত্ৰই পৈতৃক সম্পত্তি লাভ কৰাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ পায়। কনিষ্ঠ পুত্ৰ পৈতৃক সম্পত্তিৰ উত্তৰাধিকাৰী হোৱাৰ হেতুকে তেওঁ অসহায় আৰু বৃদ্ধ অৱস্থাত পিতৃ-মাতৃৰ দায়িত্ব গ্ৰহণ কৰিব লগা হয়। অন্যহাতে সাধাৰণতে পৰিয়ালৰ মুৰব্বীৰ দায়িত্ব জ্যেষ্ঠ পুত্ৰই গ্ৰহণ কৰে।

মিজোসকলৰ ৰীতি-নীতি, খাদ্যাভাষ, জীৱন নিৰ্বাহৰ প্ৰণালী আদিত স্বকীয় বৈশিষ্ট্য আছে। পুৰুষসকলে কম-বেছি পৰিমাণে আধুনিক সাজ-সজ্জা পৰিধান কৰে। তিৰোতাসকলে এতিয়াও গোষ্ঠীগত পৰিচয় প্ৰকাশ পোৱা পৰম্পৰাগত সাজপাৰ ব্যৱহাৰ কৰে। তেওঁলোকে প্ৰাচীন শিল্প-কলাৰে সুন্দৰ বস্ত্ৰ একোখন কঁকালৰপৰা তললৈকে আৱৰণ হিচাপে ব্যৱহাৰ কৰে। কঁকালৰ পৰা ওপৰৰ অংশত, ডিঙি নথকা এবিধ বিশেষ ধৰণৰ চোলা পিন্ধে। তেওঁলোকৰ মূল অলংকাৰ হ'ল গলপতা, মণি, সকলো ব্যক্তিয়েই ধপাত খায়। পুৰুষে বাঁহেৰে সজা পাইপ আৰু তিৰোতাই হোকা ব্যৱহাৰ কৰে। মিজোসকলে গাহৰি, কুকুৰা, কুকুৰ, গৰু, বাদুলি আদিৰ মাংস ভক্ষণ কৰে। তেওঁলোকে চাউলৰ পৰা ঘৰত প্ৰস্তুত এবিধ নিচা সেৱন কৰে। আজিকালি খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰাৰ বাবে ধৰ্মীয় উৎসৱত এইবিধ নিচাৰ প্ৰচলন কমিছে।

মিজোসকল জড়োপাসক। তেওঁলোকে গছ, পাহাৰ, শিলাখণ্ড, জান-জুৰি, নৈ আদি গুহাত দেৱতা থকা বুলি বিশ্বাস কৰে। সকলো দেৱতাৰে ভিতৰত এজন শ্ৰেষ্ঠ দেৱতা আছে বুলি তেওঁলোকে ভাৱে। অপশক্তিৰ দেৱতাজনক তেওঁলোকে "হোৱাই" বোলে। হোৱাইৰ সন্তুষ্টিৰ বাবে মাজে মাজে মিজোসকলে বলি-বিধানৰ ব্যৱস্থাও কৰে। বলি সাধাৰণতে পোহনীয়া জীৱ-জন্তু জাতীয়। এওঁলোকে আত্মা অমৰৰ কথা বিশ্বাস কৰে। মৃত আত্মাই "পীয়েলৰাল" (স্বৰ্গ) বা "মিথি" (নৰক)লৈ গমন কৰে। পীয়েলৰালত আত্মাই বাস কৰিলে সুখ আৰু মিথিত বাস কৰিলে দুখ-কষ্ট ভোগ কৰিব লগা হয় বুলিও বিশ্বাস কৰে। মাইকী মানুহক "খহৰিং" নামৰ এক প্ৰকাৰ ভুতে ধৰে বুলি মিজোসকলে বিশ্বাস কৰে। বৰ্তমান ৯০ শতাংশ মিজোৱেই খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰিছে।

ফলত এওঁলোকৰ নিজা ধৰ্মীয় বিশ্বাস পৰিত্যাগ কৰিছে।

মিজো সমাজত যুৱগৃহৰ প্ৰচলন আছে। এই যুৱগৃহ বা ডেকাচাঙত যুৱক-যুৱতীসকলক প্ৰয়োজনীয় সামাজিক শিক্ষা দিয়া হয়। তদুপৰি সমাজৰ বিভিন্ন আদৰ্শৰ বিষয়ে তেওঁলোকক জ্ঞান দিয়া হয়। গাঁওবাসীক ৰক্ষণাবেক্ষণ দিয়াৰ ক্ষেত্ৰটো যুৱগৃহৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। এওঁলোকৰ যুৱগৃহৰ নাম "জৱল্‌বাক" (Zawl buk)। বৰ্তমান কালত আধুনিক শিক্ষাৰ প্ৰসাৰকে ধৰি বহুতো কাৰণত যুৱগৃহ ব্যৱস্থাৰ পতন ঘটা দেখা গৈছে।

মিজোসকল হস্তশিল্পত পাকৈত। এওঁলোকে নিত্য ব্যৱহৃত বাঁহৰ বস্তু ধুনীয়াকৈ তৈয়াৰ কৰি লয়। ভাত ৰন্ধা, পানী আৰু লাওপানী থ'বৰ বাবে মাইকী মানুহে মাটিৰ পাত্ৰ তৈয়াৰ কৰি লয়। গাঁৱৰ কমাৰে চিকাৰ, খেতি-বাতি আৰু ঘৰুৱা ব্যৱহাৰৰ বাবে নানা হাথিয়াৰ তৈয়াৰ কৰে। ঝুমখেতিৰ বাবে হাবি কটা, ঘৰ সজা, অস্ত্ৰ-শস্ত্ৰ তৈয়াৰ কৰা আদি কাম পুৰুষে কৰে। খৰি অনা, পানী অনা, সূতা কটা আৰু বোৱা, কাপোৰ চিলোৱা, ধান-বনা, ভাতৰন্ধা, ঘৰ পৰিষ্কাৰ কৰা আদি কাম মহিলাই কৰে। খেতি পথাৰত গুটি সিঁচা, কাঁইট গুচোৱা, ধানকটা, ধান অনা আদি কাম পুৰুষ-মহিলাই উভয়েই কৰে। মিজোসকলৰ এটা নিজা ৰাজনৈতিক সংগঠনো আছিল। বৰ্তমান অৱশ্যে এই ৰাজনৈতিক সংগঠনৰ অৱলুপ্তি ঘটিছে।

**অঁকা বা হ্ৰুছু (Aka or Hrushu) ঃ**

অঁকা নামটো অসমীয়া মানুহে দিয়া। এই জনগোষ্ঠীৰ সদস্যসকলে নিজকে হ্ৰুছু বুলি পৰিচয় দি ভাল পায়। এওঁলোকৰ বাসভূমি হ'ল অৰুণাচল প্ৰদেশ। এওঁলোকৰ দুটা ফৈদ আছে। ফৈদ দুটা হ'ল— 'হাজাৰিগোৱা' আৰু 'কঁপাহচোৰ'। আহোমৰ ৰাজত্বৰ দিনত এই ফৈদ দুটাৰ সৃষ্টি হয়। আহোমসকলে কিছুমান মানুহক বহতীয়া হিচাপে সীমান্তত ৰক্ষণাবেক্ষণৰ দায়িত্ব দি ৰাখিছিল। এওঁলোকেই হাজাৰিখোৱা নামে পৰিচিত। অন্যহাতে আন এটা গোটে আহোম ৰাজ্যৰ ভিতৰুৱা পাহাৰৰ দাঁতিকাষৰীয়া গাঁৱৰ পৰা কঁপাহকে ধৰি বিভিন্ন ফল-মূল চুৰি কৰি নি খাইছিল। এই গোটটোকে কঁপাহচোৰ বুলি জনাজাত।

কৃষিকাৰ্য অঁকাসকলৰ ঘাই জীৱিকা। এওঁলোকে ঝুম পদ্ধতিৰে খেতি কৰে। আলু, কচু আৰু ফল-মূলৰ খেতিও এওঁলোকে কৰে। চিকাৰ, মাছধৰা আদিয়েও এওঁলোকৰ অৰ্থনৈতিক জীৱনত প্ৰভাৱ বিস্তাৰ কৰে। এওঁলোকৰ অৰ্থনৈতিক অৱস্থা বৰ উন্নত বুলি ক'ব নোৱাৰি। বিনিময় প্ৰথাৰে প্ৰয়োজনীয় সামগ্ৰী সংগ্ৰহ কৰে। সাজপাৰ, অলংকাৰ-পাতি, পৰিয়াল পদ্ধতি, সামাজিক জীৱন-নিৰ্বাহ প্ৰণালী আদিৰ জৰিয়তে অঁকাসকলে এটা পৃথক জনগোষ্ঠী হিচাপে পৰিচয় দিব পাৰে। অঁকাসকলৰ নিজস্ব সাংস্কৃতিক পৰিচয় আছে। আদিতে অঁকাসকল মঙ্গোলীয় ফৈদৰ লোক আছিল।

আহোম ৰজাসকলে অঁকাসকলক সন্তুষ্ট কৰি ৰাখিবলৈ যথেষ্ট চেষ্টা কৰিছিল।

অঁকাসকলৰ উপদ্ৰপৰ পৰা ৰক্ষা পাবলৈ আৰু সীমান্ত আক্ৰমণৰ পৰা হাত সাৰি থাকিবলৈ আহোম ৰজাসকলে অঁকাসকলক সন্তুষ্ট কৰি ৰখাটো প্ৰয়োজনীয় আছিল। সেয়ে ৰজাসকলে অঁকাসকলৰ বাবে 'পচা' প্ৰথাৰ প্ৰচলন কৰিছিল। এই প্ৰথামতে অঁকাসকলে সীমান্তৱৰ্তী গাঁৱৰ মানুহৰ পৰা কৃষিদ্ৰব্য, কাপোৰ-কানি, কঁপাহ আদিৰ উপৰি প্ৰতি পৰিয়ালৰ পৰা একোখনকৈ গামোচা পাইছিল। এইবোৰৰ উপৰি সীমান্তৱৰ্তী গাঁৱৰ লোকসকলৰ পৰা অনেক কাম-কাজৰ সুবিধা পাইছিল। অৱশ্যে গাঁওবাসীয়ে অঁকাসকলৰ পৰা প্ৰতিৰক্ষাৰ সুবিধা লাভ কৰিছিল। তদুপৰি আহোম ৰজাৰ কৰৰ কিছু অংশ এইসকল গাঁওবাসীয়ে ৰেহাই পাইছিল।

**খাচী (Khasi) ঃ**

উত্তৰ-পূব ভাৰতৰ উল্লেখযোগ্য খাচীসকল অষ্ট্ৰ-এছিয়াটিক ফৈদৰ। এওঁলোকে মেঘালয় ৰাজ্যত বাস কৰে। এওঁলোকৰ আদি বাসস্থান দক্ষিণ এছিয়া আৰু ভাৰতীয় উপদ্বীপ অঞ্চল। এওঁলোকে মনখমেৰ ভাষা কয়। খাচী সমাজ প্ৰধানতঃ মাতৃ প্ৰধান (Matriarchal) সেয়ে সমাজত নাৰীৰ স্থান উচ্চ। পৰিয়ালৰ মুৰব্বীও জ্যেষ্ঠা মহিলা গৰাকী। পৰিয়ালবোৰত মাক, জীয়েক, জোঁৱায়েক, জীয়েকহঁতৰ ল'ৰা-ছোৱালী আদি থাকে। পৰিয়ালৰ অৰ্থনৈতিক কাম নাৰীয়ে কৰে। পুৰুষৰ উপাৰ্জন বিবাহৰ পূৰ্বে মাকে আৰু বিবাহৰ পাছত পত্নীয়ে লাভ কৰে।

খাচীসকলে নিজৰ গোষ্ঠীৰ মাজতে বিয়া-বাৰু সম্পাদন কৰে যদিও এওঁলোক গোত্ৰ বহিৰ্বিবাহী। বিবাহ কাৰ্য সম্পাদনৰ ক্ষেত্ৰত বিভিন্ন ধৰ্মীয় কাৰ্য আৰু নীতি পালন কৰা হয়। সেয়ে খাচী বিবাহক ধৰ্মীয় সংস্কাৰ হিচাপেও আখ্যা দিব পাৰি। খাচী সমাজত পুনৰ বিবাহৰ প্ৰচলন নাই। অৱশ্যে পত্নীৰ মৃত্যু হ'লে পত্নীৰ ভগ্নীক বিয়া কৰাব পাৰে। মাত্ৰ কেইটামান কাৰণতহে খাচীসকলৰ বিবাহ বিচ্ছেদ হ'ব পাৰে। যেনে— অবৈধ যৌন সম্পৰ্ক, সন্তান জন্ম দিয়াৰ অক্ষমতা, মন আৰু আদৰ্শৰ অমিল, পাৰস্পৰিক সন্মতি আদি। বিবাহ বিচ্ছেদ একপক্ষীয় হ'লে সেই পক্ষই আনটো পক্ষক ক্ষতিপূৰণ দিব লগা হয়।

খাচী সমাজত ধৰ্মীয় ক্ৰিয়াও নাৰীয়েই পালন কৰে। দেৱ-দেৱীও স্ত্ৰী জাতীয়। সাধাৰণতে পৰিয়ালৰ ধৰ্মীয় কাৰ্য কনিষ্ঠা নাৰীয়ে কৰে। এওঁলোকে পুৰোহিতৰ দায়িত্বও পালন কৰে। খাচীসকলেও অমৰ আত্মাৰ কথা বিশ্বাস কৰে। মৃত্যুৰ পিছত আত্মা স্বৰ্গ বা নৰকলৈ যোৱাটো বিশ্বাস নকৰে। কোনো মৃতাত্মাৰ সংস্কাৰ কাম ভালদৰে নকৰিলে তেনে মৃতাত্মাই জীৱ-জন্তু, চৰাই-চিৰিকটি, কীট-পতঙ্গ আদিৰ ৰূপ ধাৰণ কৰে বুলি তেওঁলোকে বিশ্বাস কৰে। আত্মাই মানৱ-জীৱন লাভ কৰাটোৱেই সৰ্বশ্ৰেষ্ঠ বুলি ভাবি তেওঁলোকে মৃতকৰ কৰ্ম যৎপৰোনাস্তি ভালদৰে কৰে।

বিবাহৰ পাছত পতি পত্নীগৃহলৈ যায়। এইদৰে কিছু দিন থকাৰ পাছত সাধাৰণতে পতি-পত্নীয়ে এটা সুকীয়া পৰিয়ালৰ সৃষ্টি কৰে। সাধাৰণতে খাচী সমাজৰ পৰিয়াল

বিলাক একক পৰিয়াল। পৰিয়ালত কন্যা সন্তান নাথাকিলে আনৰপৰা তুলি লোৱাৰ নিয়ম আছে। গোত্ৰৰ (clan) বিচাৰো মাতৃবংশৰ ফালৰপৰাই হয়।

খাচীসকলৰ এটা নিজা ৰাজনৈতিক সংগঠন আছে। প্ৰতিটো সংগঠনৰ মুৰব্বীজনক 'চিয়েম' বোলে। সাধাৰণতে নৰহত্যাকাৰীক আমৰণ প্ৰহাৰৰ শাস্তি বিহা হয়। যৌন ব্যভিচাৰত লিপ্তসকলক আজীৱন কাৰাদণ্ড নাইবা যথেষ্ট পৰিমাণৰ ধনৰ জৰিমনা বিহা হয়। কেতিয়াবা অবৈধ যৌন ব্যভিচাৰত লিপ্তসকলে মৃত্যুদণ্ডও ভোগ কৰিব লগা হৈছিল। অগ্নিসংযোগকাৰীক খাচী বসবাসৰ স্থানৰ পৰা বহিষ্কাৰ কৰাৰ নিয়ম। চোৰ-ডকাইত আদি অপৰাধীক চাঙৰ ওপৰত বান্ধি থৈ তলত জুই দি, জুইত জলকীয়া পুৰি দোষীক শাস্তি বিহা হয়। কোনো মানুহে অনিষ্টকাৰী যাদু প্ৰয়োগ কৰিলে তেনে প্ৰয়োগকাৰীক হাত-ভৰি বান্ধি পাহাৰৰ তললৈ পেলাই দিয়া হয়। এনে ধৰণেৰেই খাচী সমাজত সামাজিক নিয়ন্ত্ৰণ বজাই ৰখা হয়। কিন্তু বৰ্তমান কালত অন্য সমাজৰ প্ৰভাৱ আৰু ভাৰতীয় দণ্ডবিধি আইনৰ প্ৰভাৱত খাচীসকলৰ ৰাজনৈতিক সংগঠনৰো পৰিৱৰ্তন ঘটিছে। তদুপৰি বৰ্তমান খাচীসকলে খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰাৰ বাবে তেওঁলোকৰ সমাজ ব্যৱস্থা আৰু জীৱন-নিৰ্বাহৰ প্ৰণালীত যথেষ্ট পৰিৱৰ্তন আহি পৰিছে।

**ৰেংমা নগা (Rengma Naga) ঃ**

ৰেংমা নগাসকল নাগালেণ্ডৰ এটা জনগোষ্ঠী। এওঁলোকৰ সমাজ পিতৃপ্ৰধান আৰু পিতৃৰ বংশৰে সদস্যসকলে বংশ পৰিচয় দিয়ে। বিবাহ আদি কাৰ্যত বংশৰ ওপৰত গুৰুত্ব দিয়া হয়। নগাসকল গোষ্ঠী আন্তৰ্বিবাহী যদিও গোত্ৰ বৰ্হিবিবাহী। গোত্ৰৰ বিচাৰ পিতৃবংশৰে কৰা হয়। গাঁৱৰ মুখিয়ালৰ পদ একে গোত্ৰত বংশানুক্ৰমে লাভ কৰে। গাঁৱৰ সকলো বিচাৰ মুখিয়ালে কৰি দিয়ে। মুখিয়ালৰ বিচাৰ অমান্য কৰাসকলক ঘৰ ভাঙি দিয়াৰ ব্যৱস্থা আছিল।

ৰেংমা নগাসকলৰ চিকাৰ প্ৰিয় জনগোষ্ঠী। এওঁলোকে চিকাৰ কৰি মাংস জুইত পুৰি খাই তৃপ্তি পায়। খেতি মাটিৰ কাষতে বাসস্থান নিৰ্মাণ কৰে। ঘৰবোৰ চাংঘৰ। এওঁলোকে জীৱ-জন্তুৰ পোহপাল কৰে। ৰেংমা নগাসকলে ভূমি সম্পত্তিৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়ে। বংশৰ উত্তৰাধিকাৰী সূত্ৰে সম্পত্তি লাভ কৰে। পৰিয়ালবিলাক পিতৃবংশীয় হ'লেও বিধবাই স্বামীৰ সম্পত্তি ভোগ কৰিব পাৰে। পোহনীয়া জীৱ-জন্তুও ভাগ কৰা হয়। পৰিয়ালত পুত্ৰসন্তান নাথাকিলে পুত্ৰ তুলি লোৱাৰ ব্যৱস্থা আছে।

ৰেংমা নগাসকলৰ পৰম্পৰাগত সাজ-পাৰ আছে। এওঁলোকে বিভিন্ন মণি, জন্তুৰ হাড়, নখ, দাঁত আদিৰ অলংকাৰ পৰিধান কৰে। নিত্য ব্যৱহৃত বহু সামগ্ৰী তেওঁলোকে বাঁহ-বেতেৰে তৈয়াৰ কৰি লয়। চাউলৰ পৰা তৈয়াৰ কৰা এবিধ নিচা তেওঁলোকৰ বৰ প্ৰিয়। তদুপৰি তেওঁলোকৰ মাজত ধপাত খোৱাৰ ব্যৱস্থাও আছে।

নৰহত্যা, অগ্নি সংযোগ, হিংসাত্মক আক্ৰমণ, বলপূৰ্বক নাৰী অপহৰণ, কাৰোবাৰ পোহনীয়া জীৱ হত্যা কৰা আদিক বিশেষ অপৰাধ বুলি গণ্য কৰে। এনে অপৰাধীৰ

ঘৰ-দুৱাৰ ভাঙি গাঁৱৰপৰা এক বিশেষ কালৰ বাবে খেদি দিয়া হয়। অৱশ্যে আকস্মিক আৰু উদ্দেশ্য প্ৰণোদিতভাৱে কৰা নৰহত্যাৰ মাজত প্ৰভেদ মানি চলে। ভঁড়ালৰ পৰা শস্য চুৰ কৰাসকলক জৰিমনা বিহা হয়। ৰেংমাসকলৰ মাজত যৌন ব্যভিচাৰক সামাজিক অপৰাধ হিচাপে গণ্য কৰা হয়। অৱশ্যে ছোৱালীৰ সন্মতিসাপেক্ষে হোৱা যৌন মিলনৰ কোনো দণ্ডবিধানৰ ব্যৱস্থা নাই। যৌন ব্যভিচাৰী অপৰাধীৰ জৰিমনা বিহাৰ ব্যৱস্থা আছে। এনে জৰিমনাৰ ধন অপবিত্ৰ বুলি ভাবি বয়োবৃদ্ধ বা দুখীয়' লোকক দিয়া হয়।

ৰেংমা নগাসকলৰ মাজত পাপ-পুণ্যৰ ধাৰণা আছে। হাবিত জুই দিয়া কামক তেওঁলোকে পাপ বুলি ভাৱে। সেয়ে এনে কাৰ্যত শাস্তি বিহাৰ পৰিৱৰ্তে গাঁৱৰ সকলোৱে একেলগে দোষীক অভিশাপ দিয়ে। সত্য উদঘাটন কৰিবৰ বা শপত গ্ৰহণ কৰা প্ৰথাৰো প্ৰচলন আছে। মিছাকৈ শপত গ্ৰহণ কৰিলে ঐশ্বৰিক শক্তিয়ে শাস্তি প্ৰদান কৰিব বুলি বিশ্বাস কৰা হয়।

ৰেংমা সমাজত নাৰী আৰু পুৰুষৰ সামাজিক স্থান সমান। পুৰুষ-নাৰীৰ নিৰ্ধাৰিত শ্ৰমবিভাজন নাই যদিও কঠোৰ কামবোৰ পুৰুষে কৰে। ঘৰুৱা বেছি সংখ্যক কামেই নাৰীয়ে কৰে। খেতি-বাতিকে ধৰি কিছুমান কাম পুৰুষ আৰু নাৰী মিলি কৰে। তেওঁলোকৰ মাজত দাস-প্ৰথাৰ প্ৰচলন নাই। সকলো লোকেই পৰিশ্ৰমী।

ৰেংমা নগাসকলৰ সামাজিক বিধি ব্যৱস্থাৰ সংৰচনা স্বজন পদ্ধতিৰ ওপৰত নিৰ্ভৰশীল। স্বজনীয়াৰ প্ৰতি আনুগত্য ৰেংমাসকলৰ উল্লেখনীয় বৈশিষ্ট্য। বিবাহ, ধৰ্মীয় কাৰ্য আদিত স্বজন পদ্ধতিৰ বিশেষ প্ৰভাৱ পৰে। মুঠতে ৰেংমা নগাসকলৰ এটা স্বকীয় সমাজ পদ্ধতি আছে।

### আপাটানিসকল (Apatani)

আপাটানিসকল অৰুণাচলৰ বাসিন্দা। আপাটানি শব্দটোৰ এটা মৌলিক অৰ্থ আছে। আপা মানে মৰমৰ আৰু টানি মানে তেওঁলোকৰ আদি পুৰুষজন। মৰমৰ আদি পুৰুষজনৰ বংশধৰস্বৰূপে তেওঁলোকে নিজকে আপাটানি বুলি পৰিচয় দিয়ে। আপাটানিসকলৰ ঘৰবোৰ দুচলীয়া চাংঘৰ। ঘৰৰ ভিতৰখন খোলা, ঘৰৰ ভিতৰত একোখন জুইশাল থাকে। আলহী-অতিথিক ঘৰৰ জুইশাললৈকে লৈ যোৱা হয়। পানীয় দ্ৰব্য "অ" আদিৰে অতিথি সৎকাৰ কৰা হয়। আপাটানিসকলৰ বৈশিষ্ট্যপূৰ্ণ "লাপাং" নামৰ তক্তাৰে সজোৱা এটা ঘৰত তেওঁলোকৰ খেলবোৰৰ বিচাৰ কৰা হয়। এই ঠাইত তেওঁলোকৰ সামূহিক কাম-কাজৰ বিষয়েও আলোচনা কৰা হয়।

মাৰ্চ মাহত তেওঁলোকে 'ম্যক পূজা' পাতে এই পূজাৰ পাছৰপৰা আপাটানিসকল খেতি-বাতিত ব্যস্ত হয়। এটা উল্লেখযোগ্য পূজা 'মৰাং' জানুৱাৰী মাহত পতা হয়। এই পূজা ব্যক্তিগত। সাধাৰণতে ধনীসকলৰ মাজতহে এই পূজা প্ৰচলিত। এই পূজাত মেথোন আৰু গৰু দিয়া হয়। পূজাৰ পিছত মেথোনৰ মাংস গাঁৱৰ সকলোলোকক বিলাই দিয়া হয়। পূজাৰ দিন নিৰ্ধাৰিত হ'লে পোন্ধৰ দিন মানৰ আগৰে পৰা সকলো

পৰিয়ালৰ ল'ৰাবিলাকে কাঠ-খৰি গোটাই পূজা হোৱাজনৰ ঘৰত জমা দিয়ে। এই পূজা কেইবাদিনো চালে। পূজা শেষ হোৱাৰ আগতে প্ৰতি পৰিয়ালৰ ল'ৰা, ডেকাসকলোৱে বগা কাপোৰ পিন্ধি গাঁওখন প্ৰদক্ষিণ কৰে। তেওঁলোকৰ লগত পুৰোহিতে মন্ত্ৰ পাঠ কৰে। গোটেই গাঁও ঘূৰি আহি শেষত পূজাৰ গৰাকীৰ ঘৰত উপস্থিত হয়। আৰু গৰাকীয়ে তেওঁলোকক মাংসৰে অভ্যৰ্থনা কৰে। পূজাৰ নিৰ্দিষ্ট দিনা গাঁৱৰ ছোৱালীবোৰে এটা পাত্ৰত চাউল লৈ পূজাৰ গৃহস্থৰ ঘৰত দিব লাগে। আকৌ জুন মাহত 'দ্ৰি' নামৰ আন এটা পূজা শস্যত পোকে নাখাবৰ বাবে কৰা হয়। পূজাৰ শেষৰ দিনা খেল হয়। খেলৰ ভিতৰত মল্লযুঁজ, ওখ ওখ জাম্প আদিয়েই প্ৰদান।

আপাটানিসকলৰ পৰিয়ালত কেঁচুৱা জন্ম হ'লে মাইকী মানুহবোৰে লগত খোৱা সামগ্ৰী লৈ মূল ঘৰলৈ আহে। জন্ম হোৱা সন্তানটিৰ পৰিয়ালত খোৱা-বোৱাৰ আয়োজন কৰা হয়। এই কাম দহ দিনমানলৈকে চলে। কেঁচুৱাৰ চুলি খুৰোৱা হয় যদিও মাজত অলপ ৰখা হয়। এইদৰেই ছয়/সাত বছৰমানলৈকে চলে। বিবাহৰ ক্ষেত্ৰত একে খেলৰ ভিতৰত বিবাহ হ'ব নোৱাৰে। প্ৰথম ল'ৰাৰ বিয়াৰ পিছত মাক-বাপেকে নিজৰ ঘৰ এৰি দি বেলেগ ঘৰত থাকে নাইবা পুতেক-বোৱাৰীয়েকক নতুন ঘৰ সাজি দিব লাগে। ধনী মানুহে কেইবাগৰাকীও কন্যা বিয়া কৰাব পাৰে। তেওঁলোকৰ সমাজত বিবাহ বিচ্ছেদ হ'লে পত্নীগৰাকী অন্য পুৰুষৰ লগত বিবাহত সোমাব পাৰে। তেওঁলোকৰ মাজত ঝুম খেতি প্ৰচলন আছে। বিনিময় প্ৰথাৰে এওঁলোকে প্ৰয়োজনীয় সামগ্ৰী সংগ্ৰহ কৰে। সাজপাৰ, অলংকাৰপাতি, পৰিয়াল পদ্ধতি সামাজিক জীৱন-নিৰ্বাহ প্ৰণালী আদিৰ জৰিয়তে এটা নিজস্ব সাংস্কৃতিক পৰিচয় আছে। সেয়ে তেওঁলোকে নিজকে এটা পৃথক জনগোষ্ঠী বুলি পৰিচয় দিব পাৰে। তেওঁলোকৰ মাজত বিচাৰৰ সুব্যৱস্থা আছে। সাধাৰণতে জনজাতি সমাজত "বুল্যাঙ" সকলে বিচাৰ কৰে। প্ৰতি গাঁৱতে একোজন "বুল্যাঙ" থাকে। বিচাৰত সহায় কৰিবৰ কাৰণে কেইজনমান 'মিহা' থাকে, তেওঁলোকক 'বুল্যাঙে' নিজ ইচ্ছামতে বাছি লয়।

আপাটানিসকলৰ কোনোবাই বিচাৰ নামানিলে গোটেই আপাটানি গাঁওবোৰৰ মানুহ আহি অপৰাধীক শাস্তি দিয়ে। কেতিয়াবা তেনে অপৰাধীৰ ঘৰ দুৱাৰো ভাঙি দিয়া হয় বা লাপাঙৰ ওচৰত হত্যাও কৰা হয়।

**গাৰোসকল (The Garos) ঃ**

গাৰোসকল বৰ্তমান বেছিকৈ মেঘালয় ৰাজ্যত আছে। এওঁলোকে নিজকে আচিকমাণ্ডা। (আচিক - পৰ্বত; মাণ্ডা - মানুহ) বুলি পৰিচয় দিয়ে। এওঁলোকে পাহাৰীয়া অঞ্চলত বসবাস কৰে। এওঁলোকৰ আদিম বাসস্থান আছিল তিব্বত। গাৰোসকলৰ মুখ ঘূৰণীয়া আৰু চুটি। চকু সৰু, বেঁকা আৰু ক'লা ৰঙৰ। কপাল চকুৰ পিনে কিছু আগবঢ়া। নাক দেখনীয়াৰ নহয়। মুখমণ্ডল দেখাত কিছু চেপেটা। পুৰুষ ওখই প্ৰায় পাঁচ ফুট। কোনো কোনোৰ দুই-এডাল দাড়িৰ বাহিৰে মুখত বিশেষ দাড়ি নাই। গোঁফ তেনেই

পাতল। পুৰুষে মূৰৰ চলিবোৰ ছিঙি পেলায়। মহিলাসকলকো বৰ ধুনীয়া বুলি ক'ব নোৱাৰি। গাভৰু কালত ধুনীয়া আৰু স্বাস্থ্যৱতী হয়। কাণত বৰ ডাঙৰ কেৰু পিন্ধে। ই সৌন্দৰ্যহানি কৰে। কেতিয়াবা কাণ ছিঙি দুদোখৰ হয়। গাৰোসকলৰ দৈহিক গঠন কছাৰীসকলৰ লগত বৰকৈ মিলে।

গাৰোসকলৰ মাজত মানুহৰ মূৰ কটা প্ৰথাৰ প্ৰচলন আছিল। বৰ্তমান এই প্ৰথা সম্পূৰ্ণৰূপে বন্ধ। তদুপৰি নৰবলি প্ৰথা এওঁলোকৰ মাজত প্ৰচলিত আছিল। বিশেষকৈ গাঁওবুঢ়াৰ মৃত্যু উৎসৱত নৰবলি দিব লগা হৈছিল। ১৮৭৪ চনৰপৰা এই প্ৰথা একেবাৰে বন্ধ হৈ গৈছে।

গাৰোসকল যুদ্ধপ্ৰিয় জনগোষ্ঠী। এওঁলোক চিকাৰীও। বৰ্তমান এওঁলোকৰ ঘাই জীৱিকা কৃষি। যুদ্ধ আৰু চিকাৰৰ সঁজুলি এওঁলোকে নিজেই তৈয়াৰ কৰি লয়। এওঁলোকৰ অৰ্থনৈতিক অৱস্থা বৰ উন্নত নহয়। এওঁলোকে জুইত পোৰা মাংস আৰু ঘৰত প্ৰস্তুত নিচা খাই তৃপ্তি পায়। ঘৰবোৰ চাংঘৰ। পুৰুষে কম কাপোৰ পিন্ধে। মহিলাই নিজেই তৈয়াৰ কৰা সাজ পৰিধান কৰে। বৰ্তমান সাজপাৰৰ ক্ষেত্ৰটো পৰিৱৰ্তন আহিছে।